# 2022

# ASSAMESE

## ( Honours )

Paper : ASM–HC–1016

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো **দহটা**) : ১×১০=১০

(ক) ১৯৫৯ চনত 'বাণী প্ৰকাশ'-এ প্ৰকাশ কৰা 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' গ্ৰন্থখনৰ লেখক কোন?

(খ) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থৰ প্ৰকাশক কোন?

(গ) "সাহিত্যৰ ইতিহাস লেখক আৰু গ্ৰন্থৰ তালিকা নহয়।" কথাষাৰ কোনে কৈছিল?

(ঘ) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থখনৰ লেখক কোন?

(ঙ) দেবেন্দ্ৰনাথ বেজবৰুৱাই ৰচনা কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী-বিষয়ক গ্ৰন্থখনৰ নাম কি?

(চ) অসমীয়া সাহিত্যৰ ইতিহাসৰ আৰম্ভণি কোন শতিকাৰ পৰা হোৱা বুলি বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে?

(ছ) চৰ্যাগীতসমূহ _____ কাৰণে ৰচিত।

(ৰিক্তস্থান উপযুক্ত শব্দেৰে পূৰণ কৰা)

(জ) ডাকচৰিত মতে ডাক কাৰ সন্তান?

(ঝ) 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ কবিগৰাকীৰ নাম কি?

(ঞ) মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাজনৰ নাম লিখা।

(ট) 'লৱ-কুশৰ যুদ্ধ' কাব্যখন কোনে ৰচনা কৰিছিল?

(ঠ) শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণত প্ৰধান সঙ্গী কোন আছিল?

(ড) 'পাঁচালি' শব্দটো সংস্কৃতৰ কোন শব্দৰ পৰা আহিছে?

(ঢ) 'বেউলা-আখ্যান'ৰ ৰচক কোন?

(ণ) "জনসমাজত সাধাৰণতে এই কাব্য 'সুকনান্নী' (সুকবি-নাৰায়ণী) নামে জনাজাত।" ইয়াত কোনখন কাব্যৰ কথা কোৱা হৈছে?

(ত) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(থ) 'কথা-ৰত্নাৱলী' গদ্য নে কাব্যত ৰচিত?

(দ) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ লেখক কোন?

২। চমু উত্তৰ দিয়া (যি কোনো **পাঁচটা**) : ২×৫=১০

(ক) 'চৰ্যা' মানে কি? ইয়াৰ ভাষাক কি বোলে?

(খ) ডাকৰ বচনত থকা দুবিধ প্ৰকৰণৰ নাম লিখা।

(গ) চতুৰ্দশ শতিকাৰ কবিসকলে কাব্য ৰচনা কৰিবলৈ প্ৰধানকৈ কাৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল? অনুপ্ৰেৰণা দিয়া ব্যক্তি এজনৰ নাম লিখা।





(ঘ) কনকলাল বৰুৱাই মাধৱ কন্দলিৰ সময় আৰু স্থান কি বুলি উল্লেখ কৰিছিল?

(ঙ) বৈষ্ণৱ জাগৰণৰ দুটা কাৰণ লিখা।

(চ) সাহিত্যিক ৰূপ অনুসৰি বৈষ্ণৱ সাহিত্যক কেইটা ভাগত ভাগ কৰিব পাৰি?

(ছ) পাঁচালি কাব্যৰ দুটা বৈশিষ্ট্য লিখা।

(জ) "সুকবি নাৰায়ণৰ ৰচনাত ঘাইকৈ দুবিধ ৰসৰ প্ৰাধান্য দেখা যায়।" ৰস দুবিধ কি কি?

(ঝ) শংকৰদেৱৰ নাম প্ৰসঙ্গমূলক গ্ৰন্থ দুখনৰ নাম কি কি?

(ঞ) বৰগীতসমূহক বাণীকান্ত কাকতি আৰু কালিৰাম মেধিয়ে কি কি বুলি আখ্যা দিছে?

৩। তলৰ যি কোনো **চৰিটাৰ** বিষয়ে টোকা লিখা : ৫×৪=২০

(ক) চৰ্যাপদৰ ভাষা

(খ) শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ ভাষা

(গ) প্ৰাক্-শংকৰীযুগৰ পটভূমি

(ঘ) হেম সৰস্বতী

(ঙ) বৰগীতৰ বৈশিষ্ট্য

(চ) নামঘোষাৰ দাস্য ভাৱ

(ছ) অংকীয়া নাটৰ সূত্ৰধাৰ

(জ) মনসা কাব্যত প্ৰতিফলিত লোকসমাজ

৪। তলত দিয়া যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) বাণীকান্ত কাকতিয়ে কৰা অসমীয়া সাহিত্যৰ যুগ বিভাগ সম্পৰ্কে তোমাৰ দৃষ্টিভংগী বিৱৰি লিখা।

(খ) মহেশ্বৰ নেওগে আগবঢ়োৱা অসমীয়া সাহিত্যৰ যুগ বিভাগ মানি ল'ব পাৰিনে? উপযুক্ত কাৰণ দৰ্শোৱা।

(গ) ডাকৰ বচন বুলিলে কি বুজা? ডাকৰ জন্ম আৰু ডাকৰ নামত প্ৰচলিত বচন সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(ঘ) চৰ্যাপদত প্ৰতিফলিত অসমীয়া সমাজজীৱনৰ চিত্ৰ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঙ) প্ৰাক্-শংকৰীযুগৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি হৰিবৰ বিপ্ৰৰ ৰচনাৰ মাজত সেই বৈশিষ্ট্য কিদৰে আছে, উদাহৰণসহ উল্লেখ কৰা।

(চ) মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা বিষয়ক এটি আলোচনা যুগুত কৰা।

(ছ) শংকৰদেৱ আৰু মাধৱদেৱৰ নাটৰ পাৰ্থক্য দেখুৱাই এটি সমালোচনা যুগুত কৰা।

(জ) অসমীয়া সাহিত্যলৈ ভট্টদেৱৰ অৱদান বিষয়ক এটি নিবন্ধ যুগুত কৰা।

(ঝ) সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ প্ৰয়োজনীয়তা সন্দৰ্ভত তোমাৰ দৃষ্টিভংগী যুক্তি সহকাৰে প্ৰতিষ্ঠা কৰা।

(ঞ) শংকৰদেৱৰ সাহিত্য-প্ৰতিভা বিষয়ক এটি আলোচনা যুগুত কৰা।

★ ★ ★